অধ্যায় ৫ ঃ পুৰাণ সাহিত্য

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ পুৰাণ শব্দৰ অর্থ আৰু উৎস

৫.৪ পুৰাণৰ ৰচক আৰু কাল

৫.৫ পুৰাণৰ বিষয়বস্তু আৰু বৈশিষ্ট্য

৫.৬ মহাপুৰাণ আৰু উপপুৰাণৰ সংখ্যা

৫.৬.১ বিভিন্ন মহাপুৰাণৰ বর্ণনা

৫.৭ পুৰাণৰ প্রভাৱ

৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৯ অধিক জানিবলৈ

৫.১০ অগ্রগতিৰ খতিয়ান

৫.১১ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- পুৰাণ শব্দৰ অর্থ আৰু ইয়াৰ ৰচকৰ বিষয়ে জানিব
- পুৰাণৰ উৎস আৰু ইয়াৰ ৰচনাকালৰ বিষয়ে অৱগত হ'ব পাৰিব
- পুৰাণ সাহিত্যৰ বিষয়বস্তু আৰু বৈশিষ্ট্যৰ বিষয়ে জানিব পাৰিব
- বিভিন্ন মহাপুৰাণ আৰু উপপুৰাণসমূহৰ নাম জানিব পাৰিব
- পিছৰ কালৰ সাহিত্যত পুৰাণ সাহিত্যৰ প্রভাৱৰ বিষয়ে জানিব পাৰিব।

৫.২ পৰিচয়

ইতিপূর্বে আপুনি ক্রমে ৰামায়ণ আৰু মহাভাৰতৰ বিষয়ে কিছু অধ্যয়ন কৰিলে। এতিয়া এই অধ্যায়ত আপুনি পুৰাণ সাহিত্যৰ বিষয়ে জানিব পাৰিব। প্রকৃততে ভাৰতীয় সভ্যতা সংস্কৃতি সর্বসাধাৰণৰ মাজত প্রচাৰ আৰু প্রসাৰৰ ক্ষেত্রত পুৰাণসমূহে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। পুৰাণসমূহ অধ্যয়ন কৰি বিভিন্ন সময় তথা পৰিৱেশ পৰিস্থিতিৰ, ভাৰতীয় সভ্যতা সংস্কৃতিৰ আভাস পাব পাৰি। সেইবাবেই পুৰাণৰ জ্ঞান আহৰণ অতিকৈ আৱশ্যক। পুৰাণ শব্দৰ অর্থই হৈছে পুৰণি আখ্যান।

ব্যাস, মহাভাৰতৰ ব্যাখ্যাকর্তাক পুৰাণৰ ৰচক বুলি গণ্য কৰা হয়। সংস্কৃত সাহিত্যত ১৮ খন উপপুৰাণ আছে। পুৰাণৰ কাহিনীসমূহ মুখে মুখে প্ৰথমে চলি আহিছিল পিছতহে ইয়াৰ লিখিতৰূপ পোৱা যায়। পুৰাণৰ উল্লেখ সর্বপ্রথমে ছান্দোগ্য উপনিষদত পোৱা যায়।

এই অধ্যায়ত আপুনি পুৰাণৰ বিভিন্ন দিশৰ লগত পৰিচিত হ'ব পাৰিব। যেনে— পুৰাণ শব্দৰ অর্থ, পুৰাণসমূহ কোনে ৰচনা কৰিছিল, পুৰাণৰ উৎস, পুৰাণসমূহৰ ৰচনাৰ সময়, ইয়াৰ বিভিন্ন মনোমোহা বিষয়বস্তু, পুৰাণৰ উল্লেখযোগ্য বৈশিষ্ট্য, বিভিন্ন মহাপুৰাণ তথা উপপুৰাণৰ সংখ্যা, সেইবোৰৰ নাম তথা সর্বশেষত পিছৰ কালৰ সাহিত্য আৰু সংস্কৃতিৰ ওপৰত পুৰাণ সাহিত্যৰ প্ৰভাৱ কেনেদৰে পৰিছে এই বিষয়ে জানিব পাৰিব।

৫.৩ পুৰাণ শব্দৰ অর্থ আৰু উৎস

এতিয়া আপুনি 'পুৰাণ' শব্দৰ অর্থ জানিব পাৰিব। পুৰাণ শব্দৰ সাধাৰণ অর্থ হৈছে 'পুৰাণমাখ্যানম্' অর্থাৎ 'পুৰণি আখ্যান'। পুৰাণ শব্দৰ ব্যুৎপত্তিগত অর্থ হৈছে পুৰাণঃ অথবা 'আগৰ'। পুৰাণ সাহিত্য বিশেষভাৱে বিভিন্ন দেৱ-দেৱীৰ নামেৰে নামকৰণ কৰা হৈছে। আকৌ পুৰাণ সাহিত্য বিভিন্ন বিষয়বস্তুৰে সমাদৃত হৈ আছে। ইয়াত বিভিন্ন দেৱ-দেৱী, ৰজা, নেতা, ঋষি, উপদেৱতা, লোকসাধু, ধর্মস্থান, মন্দিৰ, ঔষধি, জ্যোতিষ, ব্যাকৰণ, প্ৰেমৰ কাহিনী, দর্শন আদি বিভিন্ন বিষয়ৰ আখ্যান পোৱা যায়।

ওঠৰখন পুৰাণৰ উৎসৰ বিষয়ে বিষ্ণু পুৰাণত উল্লেখ আছে। মুখ্য ওঠৰ পুৰাণৰ উপৰিও ওঠৰখন উপ-পুৰাণৰ অৱস্থিতিৰ বিষয়ে গম পোৱা যায়।



জানি থোৱা ভাল

বৃহদাৰণ্যকোপনিষদত পুৰাণক 'পঞ্চম বেদ' বুলি আখ্যা দিয়া হৈছে— 'ইতিহাসপুৰাণম্ পঞ্চমং বেদানাম্'। উল্লেখযোগ্য যে মহাভাৰতখনকে বিখ্যাত ইতিহাসপুৰাণ বুলি গণ্য কৰা হয়। ইয়াৰ উল্লেখ অথর্ববেদতো পোৱা যায়।

৫.৪ পুৰাণৰ ৰচক আৰু কাল

সাধাৰণতে ব্যাস অর্থাৎ মহাভাৰতৰ ব্যাখ্যাকর্তাক পুৰাণৰ ৰচক বুলি গণ্য কৰা হয়। অন্যহাতে, বায়ু পুৰাণৰ এঠাইত ব্ৰহ্মাকে পুৰাণৰ ৰচক বুলি কোৱা হৈছে। এইখন পুৰাণৰে অন্য এঠাইত ভৰদ্বাজ মুনিকো পুৰাণৰ প্ৰবক্তা বুলি ধৰা হৈছে।

আকৌ বিষ্ণুপুৰাণত উল্লেখ আছে যে ভগৱান বেদব্যাসে আখ্যান, উপাখ্যান, গাথা আৰু কল্পশুদ্ধি আদিৰ লগে লগে পুৰাণ সংহিতাও ৰচনা কৰে। ইয়াৰ পিছত ব্যাসে সেইসমূহ তেওঁৰ প্ৰিয় শিষ্য 'লোমহর্ষণ'ক অধ্যয়ন কৰায়। 'লোমহর্ষণে' পুৰাণ অধ্যয়ন কৰি লাভ কৰা জ্ঞান তেওঁৰ শিষ্য অকৃতব্ৰণ সাবর্ণি আৰু শাংখপায়নক দান কৰে। তেওঁলোক তিনিজনে

অর্থাৎ লোমহর্ষণ. অকৃতব্রণ সাবর্ণি আৰু শাংখপায়নে লগ হৈ মুল সংহিতাৰ ওপৰত তিনিখন পুৰাণ সংহিতা ৰচনা কৰে। পিছত এই তিনিজনৰ শিষ্যসকলে ক্রমে ওঠৰখন মহাপুৰাণ আৰু অন্যান্য উপপুৰাণসমূহ ৰচনা কৰে।

মৎস্যপুৰাণত উল্লেখ আছে যে সর্বপ্রথমে এখনহে পুৰাণ-সংহিতা আছিল। বিষ্ণুপুৰাণত উল্লেখ থকাৰ দৰে, শিৱপুৰাণতো উল্লেখ আছে যে ব্যাসদেৱে পুৰাণৰ উত্থান তেওঁৰ শিষ্য লোমহর্ষণক দান কৰে। শিৱপুৰাণত এইটো উল্লেখ আছে যে কল্পৰ শেষত মাত্র এখনেই পুৰাণ আছিল আৰু তাক বেদৰ দৰে ব্রহ্মাই ঋষিসকলক কয়। আটাইবোৰ পুৰাণৰ প্রসংগৰ পৰা গম পোৱা যায় যে ব্রহ্মাই বেদৰ নিচিনাকৈ পুৰাণৰ কথা স্মৰণ কৰে আৰু এইটো ব্যাসদেৱলৈ প্রৱাহিত হৈ আছে।

পুৰাণৰ সময় বা কাল মহাভাৰতৰ ৰচনাৰ আগৰ বুলি ধৰা হয়। অর্থাৎ কিছুমানৰ মতে সপ্তম শতিকাৰ আগতে পুৰাণসাহিত্যৰ উল্লেখ পোৱা যায়। মহাভাৰতখনক কেৱল পুৰাণ বুলিয়েই গণ্য কৰা নহয়।

অপিতু মহাভাৰতখনো পুৰাণৰ নিচিনা একেধৰণে আৰম্ভ হৈছে। সূত লোমহর্ষণৰ পুত্র উগ্রশ্রবস হৈছে মহাভাৰত আৰু পুৰাণৰ সূত্রধাৰ। এই 'উগ্রশ্রবস' পুৰাণ সাহিত্যত পার্গত। মহাভাৰতত প্রায়ে 'এইটো পুৰাণত উল্লেখ আছে'— এনে ধৰণেৰে পুৰাণ শব্দৰ উল্লেখ পোৱা যায়। গৌতম ধর্মসূত্র, যিখনক আটাইতকৈ পুৰণি ধর্মগ্রন্থ বুলি গণ্য কৰা হয়, সেইখন ধর্মসূত্রত পুৰাণ সাহিত্যক বেদৰ লগত তুলনা কৰা হৈছে। অপস্তম্বীয় ধর্মসূত্র, যিখন ৪ বা ৫শতিকাত ৰচিত, তাতো পুৰাণৰ উল্লেখ আছে। প্রায় সকলো বেদ, বাহ্মণ, আৰণ্যক, উপনিষদ তথা বৌদ্ধ সাহিত্যত পুৰাণৰ উল্লেখ আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ পুৰাণ শব্দৰ অর্থ লিখক।

.....

প্রশ্ন নং ২ ঃ লোমহর্ষণ কোন আছিল?

.....

প্রশ্ন নং ৩ ঃ কোনখন পুৰাণত উল্লেখ আছে যে সর্বপ্রথম এখনহে পুৰাণ সংহিতা আছিল?

.....

৫.৫ পুৰাণৰ বিষয়বস্তু আৰু বৈশিষ্ট্য

পুৰাণৰ কাহিনীসমূহ সৃষ্টিৰ পাতনিৰে পৰা বর্তমানলৈ ক্রমবদ্ধৰূপত পোৱা যায়। **বুৰঞ্জীবিদ**সকলৰ মতে পুৰাণ সাহিত্যৰ মাজত প্রাচীন ভাৰতৰ যিমানবোৰ ঐতিহাসিক তথ্য পোৱা যায় আন কোনো গ্রন্থতে তেনেদৰে পোৱা নাযায়। পুৰাণ হৈছে মানৱ সমাজৰ এক সুপ্রসিদ্ধ ইতিহাস।



বুৰঞ্জীবিদ- বুৰঞ্জী বা ইতিহাস বিষয়ত পার্গত বা নিপুণ ব্যক্তিক বুৰঞ্জীবিদ বোলা হয়।

পুৰাণৰ বিষয়বস্তুক যথাক্রমে আখ্যান, উপাখ্যান, গাথা আৰু কল্পশুদ্ধি এই চাৰিভাগত ভগাব পাৰি। পিছৰ পর্যায়ত অৱশ্যে অনেক বিষয় পুৰাণ সাহিত্যৰ বিষয়সূচীত অন্তর্ভুক্ত হয়। মৎস্য পুৰাণত পুৰাণ সাহিত্যৰ পাঁচপ্রকাৰৰ বিষয়বস্তুৰ বিষয়ে এনেদৰে উল্লেখ আছে—

"সর্গশ্চ প্রতিসর্গশ্চ বশো মন্বন্তৰাণি চ
বংশানুচৰিত চৈৱ পুৰাণং পঞ্চলক্ষণম্।।"

অর্থাৎ (১) সর্গ বা সৃষ্টি, (২) প্রতিসর্গ অর্থাৎ সৃষ্টিৰ বিস্তাৰ, (৩) বংশ অর্থাৎ দেৱতা আৰু ঋষিসকলৰ বংশাৱলী, (৪) মন্বন্তৰ অর্থাৎ মনুৰ শাসন কালৰ বর্ণনা আৰু (৫) বংশানুচৰিত অর্থাৎ সূর্য্য আৰু চন্দ্রবংশীয় ৰজাসকলৰ বর্ণনা। প্রকৃততে এইবোৰেই হৈছে পুৰাণসমূহৰ বিষয়বস্তু। অৱশ্যে এইবোৰৰ বাহিৰেও অন্য অধিক বিষয়ৰ বর্ণনা পুৰাণসমূহত পোৱা যায়।

জানি থোৱা ভাল

বক্তা অথবা ৰচকে নিজে প্রত্যক্ষ কৰি দিয়া কোনো ঘটনাৰ বর্ণনাক আখ্যান বোলা হয়।

আকৌ বক্তাই শুনি দিয়া কথাৰ বর্ণনাক উপাখ্যান বোলে। সেইফালৰ পৰা বিবেচনা কৰিলে ৰামায়ণত বর্ণিত ৰামচৰিত আখ্যান আৰু তাৰ সৈতে জড়িত অধিক পুৰণি কথা বা পৰোক্ষ কথাৰ বর্ণনাসমূহ হৈছে উপাখ্যান।

একেদৰে বেদ-বেদাংগ, ইতিহাস পুৰাণ আদিত কিছুমান নাম নথকা ৰচকৰ পুৰণি শ্লোক বা পদ্য পোৱা যায়। ঋগ্বেদতো এনে কিছুমান ৰজা-মহাৰজাৰ বীৰত্বৰ প্রশংসা বা দানস্তুতি অথবা নাৰাশংসী নামেৰে বীৰগাথা পোৱা যায়। পুৰাণ ইতিহাস সাহিত্যত এনে অজ্ঞাত ৰচকৰ বহু পদ্য ৰচনা পোৱা যায়। এনেধৰণৰ গাথা বুলি সাধাৰণতে 'কল্প' শব্দই শ্রৌত, গৃহ্য, ধর্ম, সদাচাৰ আৰু সংস্কাৰ বিষয়ক কর্মবোৰকে বুজা যায়। পুৰাণসমূহে প্রথমতে আখ্যান-উপাখ্যান, গাথা আৰু কল্পশুদ্ধি বিষয়কে সামৰি লয়।

পুৰাণৰ ৰচনাশৈলীৰ এক বিশেষ বৈশিষ্ট্য আছে। কিছুমান মানুহে পুৰাণত উল্লেখ থকা কাহিনীবোৰ কাল্পনিক আৰু অবাস্তৱ বুলি গণ্য কৰে। অলংকাৰিক ভাষাত তথ্য কথন, ৰূপক কথন আৰু অতিশয়োক্তি কথন এই তিনি প্রকাৰৰ বিষয়বস্তুৰ অন্তর্ভুক্তিৰ বাবে পুৰাণৰ কাহিনীসমূহ কাল্পনিক আৰু অবাস্তৱ যেন অনুভৱ হয়। কোনো এটা বিষয়ৰ আচল ৰূপ উদঘাটন কৰাটোৱেই হৈছে 'তাৰ তথ্য কথন'। য'ত ৰূপক অলংকাৰক আশ্রয় কৰি কোনো কথা বর্ণনা কৰা হয় তেতিয়া তাৰ নাম 'ৰূপক কথন' বোলা হয়। ৰূপক কথনৰ উল্লেখ বৈদিক সাহিত্যতো পোৱা যায়। বেদত সূর্য্যৰ কিৰণত পোৱা সাত ৰঙক ৰঙ বুলি নকৈ ঘোঁৰা বুলি কল্পনা কৰিছে। পুৰাণত কোনো এটা বস্তু বর্ণনা কৰাৰ বাবে অতিশয়োক্তি অলংকাৰ প্রয়োগ কৰা হয়। পুৰাণৰ আন এটা বৈশিষ্ট্য হ'ল বেদৰ টান ভাষা শৈলীৰ সহজ সৰলভাৱে বর্ণনা

কৰা। পুৰাণৰ অন্য এটা বৈশিষ্ট্য হ'ল ই সমাজৰ দাপোনস্বৰূপ। পুৰাণৰ পৰাই আমি প্ৰাচীন ভাৰতৰ ৰজা-মহাৰজা, ঋষিসকলৰ জীৱনবৃত্তান্ত, বিভিন্ন তীৰ্থস্থানৰ বিস্তৃত বৰ্ণনা পোৱা যায়।

পুৰাণ অধ্যয়নৰ পৰা আমি বিভিন্ন ভৌগোলিক বৰ্ণনাও লাভ কৰিব পাৰো। পুৰাণৰ পৰা আমি বিভিন্ন ঠাইৰ মহত্বৰ বিষয়ে জানিব পাৰো তথা সেইবোৰ অধ্যয়নে আমাৰ মনত শ্ৰদ্ধাভাৰ জগাই তোলে।

মানৱ ধৰ্মক সুদৃঢ় আৰু সুপ্ৰতিষ্ঠিত কৰাটো পুৰাণৰ অন্যতম বৈশিষ্ট্য। অজ্ঞানৰ পৰা জ্ঞানৰ পোহৰ, মৰণশীলতাৰ পৰা অবিনাশতাৰ পিনে, অন্ধকাৰৰ পৰা পোহৰৰ পিনে প্ৰত্যেক মানুহৰ বুদ্ধি যাতে অগ্ৰসৰ হ'ব পাৰে পুৰাণ সাহিত্যই তাৰেই প্ৰয়াস কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ পুৰাণ সাহিত্যৰ বিষয়বস্তু কেইভাগত ভগাব পাৰি?

.....

প্ৰশ্ন নং ৫ ঃ গাথা মানে কি?

.....

প্ৰশ্ন নং ৬ ঃ আখ্যান বুলিলে কি বুজা যায়?

.....

প্ৰশ্ন নং ৭ ঃ পুৰাণ সাহিত্যৰ কেইটামান বৈশিষ্ট্য উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৮ ঃ বুৰঞ্জীবিদ বুলিলে কি বুজা যায়?

.....

৫.৬ মহাপুৰাণ আৰু উপপুৰাণৰ সংখ্যা

প্ৰথমতে পুৰাণ এখন বৃহৎ সংহিতা আছিল বুলি কোৱা হয়। সময় যোৱাৰ লগে লগে ইয়াৰ কলেবৰ আৰু আখ্যানবোৰ সলনি হৈ মহাপুৰাণ তথা উপপুৰাণৰ ৰূপত বৃদ্ধি প্ৰাপ্ত হয়। *'বিষ্ণু পুৰাণ'*ত পুৰাণৰ সংখ্যা ওঠৰ বা অষ্টাদশ বুলি উল্লেখ আছে। সেইসমূহ হ'ল—

(১) *ব্ৰহ্মা,* (২) *পদ্ম,* (৩) *বিষ্ণু,* (৪) *শিব,* (৫) *ভাগৱত,* (৬) *নাৰদ,* (৭) *মাৰ্কণ্ডেয়,* (৮) *অগ্নি,* (৯) *ভৱিষ্য,* (১০) *ব্ৰহ্মবৈৱৰ্ত,* (১১) *লিংগ,* (১২) *ৱৰাহ,* (১৩) *স্কন্দ,* (১৪) *ৱামন,* (১৫) *কূৰ্ম,* (১৬) *মৎস,* (১৭) *গৰুড়* আৰু (১৮) *ব্ৰহ্মাণ্ড*।

পুৰাণসমূহ সাধাৰণতে গুণ অনুসৰি তিনি শ্ৰেণীত বিভক্ত। কিছুমান পুৰাণত বিষ্ণুৰ মহিমাই প্ৰাধান্য লাভ কৰে। যেনে— *ভাগৱত, নাৰদীয়, পদ্ম, ৱৰাহ, গৰুড়* আৰু *বিষ্ণুপুৰাণ*। এইসমূহ পুৰাণ সাত্ত্বিক পুৰাণৰ অন্তৰ্ভুক্ত হয়। কিছুমান পুৰাণত ব্ৰহ্মাৰ মাহাত্ম্য বেচিকৈ প্ৰকাশ কৰা হয়। সেই সমূহ পুৰাণ হ'ল— *ব্ৰহ্মপুৰাণ, ব্ৰহ্মাণ্ডপুৰাণ, ব্ৰহ্মবৈৱৰ্তপুৰাণ, মাৰ্কণ্ডেয় পুৰাণ, ৱামণপুৰাণ* আৰু *ভৱিষ্যপুৰাণ*। এইসমূহ পুৰাণক ৰাজসিক পুৰাণ বোলা হয়।

যি সমূহ পুৰাণত শিৱৰ মাহাত্ম্য প্ৰচাৰ কৰা হয়, সেই সমূহক তামসিক বুলি কোৱা হয়। সেই সমূহ পুৰাণ হ'ল— *শিৱপুৰাণ, লিংগপুৰাণ, স্কন্দপুৰাণ, মৎস্যপুৰাণ* আৰু *কূৰ্মপুৰাণ* আদি।

দেৱী ভাগৱতত (১/৩/২১) আদি আখৰেৰে অষ্টাদশ পুৰাণৰ নাম পোৱা যায়—

১) মকাৰাদি দুই পুৰাণ — *মৎস্য* আৰু *মাৰ্কণ্ডেয়*

২) ভকাৰাদি দুই পুৰাণ— *ভাগৱৎ* আৰু *ভৱিষ্য*

৩) ব্ৰকাৰাদি তিনিপুৰাণ— *ব্ৰহ্ম, ব্ৰহ্মাণ্ড* আৰু *ব্ৰহ্মবৈৱৰ্ত্ত*

৪) বকৰাদি চাৰি পুৰাণ— *বামণ, বিষ্ণু, বায়ু* আৰু *বৰাহ*

৫) অনাপৎ লিংগ— *অগ্নি, নাৰদ, পদ্ম, লিংগ, গৰুড়, কূৰ্ম, স্কন্দ, বিষ্ণু* আৰু *ভাগৱৎ পুৰাণত* এই ওঠৰখন পুৰাণৰ নাম বিশিষ্ট ক্ৰমানুসৰি এনেদৰে দিছে— *ব্ৰহ্মপুৰাণ, পদ্মপুৰাণ, বিষ্ণুপুৰাণ, শিৱপুৰাণ, ভাগৱৎ পুৰাণ, নাৰদীয় পুৰাণ, মাৰ্কণ্ডেয় পুৰাণ, অগ্নিপুৰাণ, ভৱিষ্যপুৰাণ, ব্ৰহ্মবৈৱৰ্তপুৰাণ, লিংগপুৰাণ, বৰাহপুৰাণ, স্কন্দপুৰাণ, বামণপুৰাণ, কূৰ্মপুৰাণ, মৎস্যপুৰাণ, গৰুড়পুৰাণ* আৰু *ব্ৰহ্মাণ্ড পুৰাণ*।

যদিও মহাপুৰাণ ওঠৰখন আছে বুলি ধৰা হয়, *বায়ু পুৰাণ* আৰু *দেৱী ভাগৱতপুৰাণ* মিলি পুৰাণৰ সংখ্যা বিশখন হয়। পণ্ডিতসকলৰ মতে উপপুৰাণসমূহ মহাপুৰাণৰ পিছত ৰচিত হৈছে। মহাপুৰাণৰ নিচিনা উপপুৰাণসমূহো সমানেই মহত্ত্বপূৰ্ণ।

৫.৬.১ বিভিন্ন মহাপুৰাণৰ বৰ্ণনা

এতিয়া আপুনি বিভিন্ন পুৰাণৰ বৰ্ণনা পঢ়িবলৈ পাব। প্ৰথমেই আপুনি *ব্ৰহ্মপুৰাণৰ* বিষয়ে কিছু জানিবলৈ পাব।

১) ***ব্ৰহ্ম পুৰাণ*** *ঃ ব্ৰহ্মপুৰাণখন 'আদি ব্ৰহ্ম'* নামেৰেও জনাজাত। *বিষ্ণুপুৰাণত* উল্লেখ আছে যে *ব্ৰহ্মপুৰাণেই* সকলো পুৰাণৰ ভিতৰত প্ৰথম। ব্ৰহ্মাৰ বৰ্ণনাই এই পুৰাণত প্ৰাধান্য লাভ কৰিছে। সেইবাবে এই পুৰাণক ৰাজসিক শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হৈছে।

ব্ৰহ্মপুৰাণত উল্লেখ আছে যে পৃথিৱীৰ ভিতৰত ভাৰতবৰ্ষই শ্ৰেষ্ঠ ভূমি, ভাৰতবৰ্ষৰ ভিতৰত আকৌ দণ্ডকাৰণ্য মুখ্য স্থান। আকৌ দণ্ডকাৰণ্যৰ মাজেদি যি গোদাবৰী নদী প্ৰৱাহিত হৈছে সেই নদীয়েই হৈছে সকলোবোৰ নদীৰ ভিতৰত শ্ৰেষ্ঠ নদী। এই গোদাবৰী নদীৰ পাৰত অৱস্থিত সকলো তীৰ্থস্থানৰ বৰ্ণনা এই *ব্ৰহ্মপুৰাণত* পোৱা যায়। ইয়াৰ উপৰিও এই পুৰাণত পুৰী, কোণাৰ্ক, ভুৱনেশ্বৰ আদি ঠাইৰ বৰ্ণনা আছে।

ব্ৰহ্মপুৰাণত জগতৰ সৃষ্ঠিতত্ত্ব, সূৰ্যবংশ তথা চন্দ্ৰবংশৰ ৰজাসকলৰ কাহিনী, ভাৰতবৰ্ষৰ নদীৰ পাৰত অৱস্থিত বিভিন্ন তীৰ্থস্থানৰ বৰ্ণনাও পোৱা যায়। ভগৱান শিৱ আৰু দেৱী পাৰ্বতীৰ বিষয়ে উপাখ্যানও আছে। ভগৱান শ্ৰীকৃষ্ণ

তথা যদুবংশৰ বৰ্ণনা আছে। যেনে প্ৰথম অধ্যায়ৰ পৰা উনসত্তৰ অধ্যায়লৈ (১-৬৯) পুৰুষোত্তম ক্ষেত্ৰ অৰ্থাৎ বৰ্তমান পুৰী, কোণাৰ্ক, ভুৱনেশ্বৰ আদি উল্লেখযোগ্য স্থানৰ বৰ্ণনা আছে। পুৰীৰ জগন্নাথৰ স্নানযাত্ৰাৰ বৰ্ণনাও আছে। ব্ৰহ্মপুৰাণৰ কিছুমান অধ্যায়ত নৰকৰ বৰ্ণনাও আছে। আনকি ইয়াত শ্ৰাদ্ধৰ কথা, সূৰ্যৰ মহিমা, ভৱিষ্যত যুগৰ কথা আৰু সাংখ্য তথা যোগদৰ্শনৰ কথাও ধৰ্মশাস্ত্ৰৰ উপযোগী অনেক তত্ত্বকথা, অন্নদানৰ মহিমা, বৰ্ণধৰ্মপ্ৰতিষ্ঠা, সদাচাৰ নিৰূপণ, ধৰ্মনিৰূপণ আদি বিষয়ৰ বৰ্ণনা পোৱা যায়। কিন্তু *ব্ৰহ্মপুৰাণ*ত 'গৌতমী মাহাত্ম্য'ই বেছিকৈ স্থান লাভ কৰিছে।

২) ***পদ্মপুৰাণ*** *ঃ পদ্মপুৰাণ*খন পাঁচটা খণ্ডত বিভক্ত। অৰ্থাৎ সেইসমূহ হ'ল— সৃষ্টিখণ্ড, ভূমিখণ্ড, স্বৰ্গখণ্ড, পাতালখণ্ড আৰু উত্তৰখণ্ড।

এইখন পুৰাণত বিভিন্ন ধৰ্মানুষ্ঠানৰ বৰ্ণনা আছে। *শ্ৰীমদ্ভাগৱতগীতা*ৰ মাহাত্ম্যও ইয়াত বৰ্ণিত হৈছে।

এই পাঁচটা খণ্ডৰ বিষয়ে এনেদৰে পোৱা যায়—

প্ৰথমং সৃষ্টিখণ্ডং হি, ভূমি খণ্ডং দ্বিতীয়কম্।
তৃতীয় স্বৰ্গখণ্ডং চ পাতালং চ চতুৰ্থকম্।।
পঞ্চমং চোত্তৰং খণ্ডং সৰ্বপাপপ্ৰণাশনম্।

সৃষ্টিখণ্ডত সমুদ্ৰমন্থন, পৃথুৰ আখ্যান, পৌষ্কৰ আখ্যান, বৃত্ৰবধাখ্যান, বামনাৱতাৰ আখ্যান, মাৰ্কণ্ডেয়ৰ আখ্যান, কাৰ্তিকৰ আখ্যান, ৰামাখ্যান, তাৰকাসুৰৰ কাহিনী আদি বৰ্ণনা আছে।

ভূমিখণ্ডত যযাতি-মাতলিৰ আধ্যাত্মিক সংবাদ, চ্যাৱনচৰিত তথা শৈৱ আৰু বৈষ্ণৱবাদৰ বিভিন্ন কথা বৰ্ণনা আছে। শিৱ আৰু বিষ্ণুৰ অভেদত্ব কল্পনা কৰি *পদ্মপুৰাণ*ত এনেদৰে উল্লেখ আছে যে—

শিৱায় বিষ্ণুৰূপায় বিষ্ণৱে শিৱৰূপিণে।
শিৱস্য হৃদয়ে বিষ্ণুঃ বিষ্ণোশ্চ হৃদয়ে শিৱঃ।

আকৌ ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ অভিন্নতা উল্লেখ কৰি *পদ্মপুৰাণ*ত এনেদৰে কোৱা হৈছে—

একমূৰ্তিস্ত্ৰয়োদেৱাঃ ব্ৰহ্মাবিষ্ণুমহেশ্বৱাঃ।
এয়ানামন্তৰং নাস্তি, গুণভেদাঃ প্ৰকীৰ্তিতাঃ।।

স্বৰ্গখণ্ডত দেৱ গন্ধৰ্ব, অপ্সৰা, যক্ষ আদি উৰ্ধলোকৰ বিষয়ে বৰ্ণনাৰ উপৰিও দুষ্যন্ত-শকুন্তলাৰ উপাখ্যানো বৰ্ণিত হৈছে। পাতাল খণ্ডত নাগলোকৰ বিষয়ে উল্লেখ আছে। উত্তৰখণ্ডত অন্যান্য আখ্যানৰ লগতে বিষ্ণুভক্তিৰ প্ৰশংসা কৰা হৈছে।

৩) ***বিষ্ণুপুৰাণ*** *ঃ বিষ্ণুপুৰাণ* হৈছে বৈষ্ণৱ সম্প্ৰদায়ৰ এখন বিশুদ্ধ প্ৰামাণ্য গ্ৰন্থ। ইয়াৰ স্থান *ভাগৱতপুৰাণ*ৰ পাছতে। এইখন পুৰাণত শ্ৰীকৃষ্ণৰ জন্ম বৃত্তান্ত আৰু

ৰাসলীলাই প্ৰধানকৈ বৰ্ণিত হৈছে। ইয়াৰ উপৰিও বিভিন্ন কাহিনী ইয়াত বৰ্ণিত হৈছে, যেনে— নৰকৰ বৰ্ণনা, বৰ্ণাশ্ৰম ধৰ্ম, আচাৰ-বিধি, শ্ৰাদ্ধকৰ্ম, যুগধৰ্ম, সৃষ্টি-কাহিনী, দেৱতা আৰু ঋষিবংশৰ বৰ্ণনা, ধ্ৰুৱ-প্ৰহ্লাদ উপাখ্যান, শিশুনাগ-নন্দ-মৌৰ্যবংশৰ বিৱৰণ ইত্যাদি।

৪) ***বায়ুপুৰাণ*** ঃ *বায়ুপুৰাণক শিৱপুৰাণ* বুলিও জনা যায়। শিৱৰ উপাসনাই এই পুৰাণৰ মুখ্য বিষয়। পুৰাণৰ পঞ্চলক্ষণ এই বায়ুপুৰাণত সুস্পষ্ট। ইয়াত বৰ্ণাশ্ৰম ধৰ্ম, প্ৰাচীন ভূগোল, শ্ৰাদ্ধকৰ্ম বিষয় আদি আলোচিত হৈছে। গুপ্তবংশৰ ৰজাসকলৰ শাসনকালৰ বৰ্ণনাও ইয়াত উল্লেখিত হৈছে। সেইফালৰ পৰা চাব গ'লে ভূগোল, বুৰঞ্জী আৰু সমাজতত্ত্বৰ ছাত্ৰৰ বাবেই এই পুৰাণ অতি মূল্যবান।

৫) ***ব্ৰহ্মাণ্ডপুৰাণ*** ঃ *ব্ৰহ্মাণ্ডপুৰাণত* বিভিন্ন উপাখ্যানৰ উপৰিও তীৰ্থস্থানসমূহৰ বিৱৰণ উল্লেখিত হৈছে। ইয়াত ভগৱান শিৱ-পাৰ্বতীৰ আৰু ৰামৰ বৰ্ণনাও পোৱা যায়।

৬) ***ভাগৱতপুৰাণ*** ঃ পুৰাণসমূহৰ ভিতৰত *ভাগৱতপুৰাণখন* আটাইতকৈ জনপ্ৰিয় আৰু প্ৰসিদ্ধ পুৰাণ। *বিষ্ণুপুৰাণৰ* সৈতে *ভাগৱতপুৰাণৰ* বিষয়বস্তুৰ বহুখিনি মিল আছে। *ভাগৱতপুৰাণত* শ্ৰীকৃষ্ণৰ জীৱনৰ কাহিনী অতি সুন্দৰকৈ বৰ্ণিত হৈছে। *ভাগৱতপুৰাণখন* দ্বাদশ স্কন্ধত (অধ্যায়) ৰচিত। এইখন পুৰাণত ৰজা পৰিক্ষিতৰ কাহিনী, ধ্ৰুৱৰ কাহিনী, বৃত্ৰাসুৰৰ কাহিনী, বিষ্ণুভক্ত প্ৰহ্লাদৰ কাহিনী আদি বৰ্ণনা হৈছে। আটাইতকৈ উল্লেখযোগ্য বিষয়টো হ'ল ভাগৱতৰ দশম স্কন্ধত শ্ৰীকৃষ্ণৰ ৰাসলীলা বৰ্ণিত হৈছে। যদিও ভাগৱতপুৰাণত সৃষ্টিতত্ব তথা বিভিন্ন নীতি উপদেশমূলক কথা বৰ্ণিত হৈছে, তথাপি এইখন পুৰাণৰ মূল প্ৰাতিপাদ্য বিষয়টো হৈছে অকৃত্ৰিম সৰল কৃষ্ণভক্তি আৰু কৃষ্ণপ্ৰীতি। শ্ৰীকৃষ্ণৰ জীৱনকাহিনী বৰ্ণনাৰ উপৰিও এইখন পুৰাণৰ বিভিন্ন অংশত ব্ৰহ্মোৎপত্তি, সৃষ্টি, ৰুদ্ৰ, মৰীচি, পৃথিৱী, সৰস্বতী আদি উৎপত্তি, মনুবংশ কথা, বৃত্ৰবধাখ্যান, প্ৰহ্লাদৰ চৰিত, মন্বন্তৰ কথা, গজেন্দ্ৰ উপাখ্যান, সমুদ্ৰমন্থন, বামনাৱতাৰ, বলিৰ উপাখ্যান, মৎস্যাৱতাৰ, সোম আৰু সূৰ্য্যৰ বংশৰ বৰ্ণনা আদি অনেক বিষয় আলোচিত হৈছে।

৭) ***মৎস্যপুৰাণ*** ঃ *মৎস্যপুৰাণত* ভগৱান বিষ্ণুৰ মৎস্য অৱতাৰৰ কথা বৰ্ণিত আছে। পৃথিৱী যেতিয়া প্ৰলয়কালত প্ৰৱলপানীৰ সোঁতত প্লাৱিত হৈছিল, তেতিয়া ভগৱান বিষ্ণুই মৎসৰূপ ধাৰণ কৰি নৌকাত উঠি থকা মনুক উদ্ধাৰ কৰি হিমালয়ৰ উচ্চতম শৃংগত নৌকাবন্ধন কৰি মনুক ৰক্ষা কৰিছিল। এই মনোমোহা কাহিনীৰ আশ্ৰয়তেই *মৎস্যপুৰাণৰ* কাহিনীৰ পাতনি হৈছে। প্ৰকৃততে মনু আৰু মৎস্যৰ কথা বাৰ্তাই হৈছে এই বিশাল পুৰাণৰ প্ৰধান বিষয়বস্তু।

৮) ***নাৰদপুৰাণ*** ঃ বিষ্ণুভক্তিয়েই হৈছে *নাৰদপুৰাণৰ* মূল বিষয়বস্তু। এইখন পুৰাণত নাৰদ বিষ্ণুভক্তিৰ প্ৰচাৰক হিচাপে চিত্ৰিত হৈছে। কিছুসংখ্যক উপকথাৰ মাধ্যমেৰে বিষ্ণুপুজা তথা বিষ্ণুব্ৰতৰ মহিমা ইয়াত ব্যক্ত কৰা হৈছে।

ইয়াৰ উপৰিও পাপ-পূণ্য, বর্ণাশ্রমৰ কথা, ভক্তি আৰু মুক্তিৰ কথা ইয়াত আলোচিত হৈছে।

৯) ***মার্কণ্ডেয় পুৰাণ ঃ*** *মার্কণ্ডেয় পুৰাণ* শাক্ত ধর্মীসকলৰ এখন উপযুক্ত ধর্মপুথি। এইখন পুৰাণত দেৱীশক্তিৰ মহামায়াৰ কাহিনী বর্ণিত হৈছে। *মার্কণ্ডেয় পুৰাণ*ৰ যিকেইটা অধ্যায়ত দেৱীৰ মাহাত্ম্য বর্ণিত হৈছে, সেইখিনি *'শ্রীশ্রীচণ্ডী'* বা *'দেৱী-সপ্তশতী'* গ্রন্থ হিচাপে বিখ্যাত। ইয়াত মহাদেৱীৰ দ্বাৰা মধুকৈটভ, মহিষাসুৰ বধ, শুম্ভ-নিশুম্ভ বধ, চণ্ডমুণ্ড আৰু ৰক্তবীজ বধ আদি কাহিনীৰ জৰিয়তে দেৱী মহামায়াৰ মহাশক্তিৰ বর্ণনা কৰা হৈছে। ইয়াৰ উপৰিও এই পুৰাণত ৰজা হৰিচন্দ্র, বিশ্বামিত্র, মদালসা, অত্রি-অনসূয়া, সোম-দত্তাত্রেয় দুর্বাসা আদিৰ বিভিন্ন আখ্যান বর্ণিত হৈছে। এইখন পুৰাণৰ কাব্যিক গুণো অপৰিসীম।

১০) ***অগ্নিপুৰাণ ঃ*** *অগ্নিপুৰাণ*ক সম্পূর্ণ ভাৰতীয় বিদ্যাসমূহৰ চমু বিশ্বকোষ বুলি ধৰা হয়। এইখন পুৰাণত বিষ্ণুৰ বিভিন্ন অৱতাৰসমূহৰ চমু বিৱৰণ তথা ৰামায়ণ মহাভাৰতৰ কাহিনীৰ উপৰিও *গীতা*ৰ সাৰাংশ দাঙি ধৰা হৈছে। এইসমূহৰ উপৰিও জন্ম, পুনর্জন্ম, যোগ-যাগ, বিবাহ-বিধি, জ্যোতিষ, ভূগোল, আয়ুর্বেদ, তীর্থসমূহৰ মাহাত্ম্য, যুদ্ধবিদ্যা, ৰাজ-ধর্ম, ছন্দ-ব্যাকৰণ, অলংকাৰশাস্ত্র আদিত বিভিন্ন বিষয়সমূহ এইখন পুৰাণত ঠাই পাইছে। *অগ্নিপুৰাণ*ৰ ৰচনাকাল সম্বন্ধে পণ্ডিতসকল এতিয়ালৈ একমত নহয়।

১১) ***ভৱিষ্যপুৰাণ ঃ*** *ভৱিষ্যপুৰাণ*খন পাঁচটা-পর্বত ৰচিত হৈছে। সেই পাঁচটা পর্ব হ'ল— (১) ব্রহ্মপর্ব (২) বিষ্ণুপর্ব (৩) শিৱপর্ব (৪) সূর্যপর্ব আৰু (৫) প্রতিবর্গপর্ব। এইখন পুৰাণত সূর্য্য মাহাত্ম্য, ব্রহ্মা মাহাত্ম্য, শিৱমাহাত্ম্য, বিষ্ণুমাহাত্ম্য আদি বিষয় লিপিবদ্ধ হৈছে।

১২) ***ব্রহ্মবৈৱর্তপুৰাণ ঃ*** *ব্রহ্মবৈৱর্তপুৰাণ* চাৰিটা খণ্ডত বিভক্ত। সেইসমূহ হৈছে— (১) ব্রহ্মখণ্ড (২) প্রকৃতি খণ্ড (৩) গণপতিখণ্ড আৰু (৪) কৃষ্ণজন্মখণ্ড। ব্রহ্মখণ্ডত জগতৰ সৃষ্টি, প্রকৃতি খণ্ডত দুর্গা, লক্ষ্মী, সৰস্বতী, সাবিত্রী, ৰাধা আদি প্রকৃতি, গণপতিখণ্ডত গণেশ কার্তিকৰ জন্ম কাহিনী, কৃষ্ণজন্মখণ্ডত হৰিবংশ, ভাগৱত কৃষ্ণাৱতাৰৰ কাহিনীসমূহ বর্ণিত হৈছে।

১৩) ***লিংগ পুৰাণ ঃ*** এইখন পুৰাণত ভগৱান শিৱৰ মাহাত্ম্য বর্ণিত হৈছে। শিৱলিংগৰ উপাসনা বর্ণিত হোৱা বাবে এই পুৰাণখন *লিংগপুৰাণ* নামে খ্যাত। এই পুৰাণখন পূর্বভাগ আৰু উত্তৰভাগ নামেৰে দুটা ভাগত বিভক্ত। ইয়াত সৃষ্টিৰ বর্ণনা, শৈৱব্রত তথা সূর্য্য আৰু চন্দ্রবংশৰ কাহিনী বর্ণিত হৈছে।

১৪) ***স্কন্ধপুৰাণ ঃ*** *স্কন্ধপুৰাণ*খন সাতটা খণ্ডত বিভক্ত। যেনে — (১) মহেশ্বৰখণ্ড (২) বৈষ্ণৱ খণ্ড, (৩) ব্রহ্মখণ্ড, (৪) কাশীখণ্ড ইত্যাদি। মহেশ্বৰখণ্ডত শিৱ-পার্ৱতীৰ বিচিত্র মহিমা বর্ণিত হৈছে। বৈষ্ণৱখণ্ডত ভগৱান জগন্নাথ মন্দিৰৰ বর্ণনা, পূজাবিধি, আৰু প্রতিষ্ঠাৰ বর্ণনা আছে। ব্রহ্মখণ্ডত উজ্জয়িনীৰ মহাকালৰ

পূজা বিধি বর্ণিত হৈছে। ঠিক তেনেদৰে কাশীখণ্ডত কাশীনগৰীৰ বর্ণনা পোৱা যায়। এইখন পুৰাণৰ জৰিয়তে বিভিন্ন ঠাইৰ ঐতিহাসিক আৰু ভৌগোলিক বিৱৰণো লাভ কৰা যায়।

১৫) ***বৰাহপুৰাণ ঃ*** *বৰাহপুৰাণ*খন এখন বৈষ্ণৱ পুৰাণ। বৰাহৰূপী ভগৱান বিষ্ণু এই পুৰাণৰ প্ৰবক্তা। এইখন পুৰাণত দেৱী গৌৰীৰ জন্ম কাহিনী, ভগাৱান শিৱ আৰু দেৱী দুর্গাৰ আখ্যান, যম আৰু নাচিকেতাৰ কাহিনী তথা বিবিধ ধর্ম কথাৰ উল্লেখ পোৱা যায়।

১৬) ***বামন পুৰাণ ঃ*** *বামন পুৰাণ*খনো এখন বৈষ্ণৱ পুৰাণ। বামণৰূপী ভগৱান বিষ্ণুৰ বর্ণনাই হৈছে এই পুৰাণৰ প্ৰধান প্ৰতিপাদ্য বিষয়। এইখন পুৰাণতো শিৱৰ মহিমা, দুর্গাৰ কাত্যায়নী ৰূপ, গণেশ আৰু কার্তিকৰ উৎপত্তিৰ বর্ণনা কৰা হৈছে।

১৭) ***গৰুড়পুৰাণ ঃ*** *গৰুড়পুৰাণ*ৰ কথা অংশ ভগৱান বিষ্ণুৱে গৰুড়পক্ষীক কৈ শুনাইছিল। এই পুৰাণখন দুটা ভাগত বিভক্ত। প্ৰথম ভাগত ভগৱান বিষ্ণুৰ মহিমা বর্ণনা কৰাৰ লগতে ৰত্নপৰীক্ষা, ৰাজনীতি, আয়ুর্বেদ, পশুচিকিৎসা, ছন্দশাস্ত্ৰ, সাংখ্যযোগ আৰু গীতাৰ সাৰাংশ বর্ণিত হৈছে, দ্বিতীয় খণ্ড প্ৰেতকল্প নামে জনাজাত। ইয়াত জীৱৰ অৱস্থা, নৰকাদি বিভিন্ন বিষয়ৰ কথা আলোচিত হৈছে।

১৮) ***কূর্মপুৰাণ ঃ*** কূর্মৰূপী ভগৱান বিষ্ণুৰ কাহিনী *কূর্মপুৰাণ*ত বর্ণিত আছে। *কূর্মপুৰাণ* দুটা ভাগত বা খণ্ডত বিভক্ত। পূর্বভাগত মহাবৰাহৰ দ্বাৰা পৃথিৱী উদ্ধাৰ, দক্ষৰজাৰ যজ্ঞ আৰু বামণাৱতাৰ ইত্যাদি বিষয় আলোচিত হৈছে। উত্তৰখণ্ডত নানা বিধ তীর্থ স্থান আৰু উচ্চস্তৰৰ দার্শনিক তত্ত্বৰ বিষয়ে বর্ণনা কৰা হৈছে। এনেদৰে আপুনি সর্বমুঠ ওঠৰখন পুৰাণৰ চমু বিৱৰণ জানিব পাৰিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ উপপুৰাণ আৰু মহাপুৰাণৰ সংখ্যা কিমান?

.....

প্ৰশ্ন নং ১০ ঃ পুৰাণসমূহ গুণ অনুসৰি কেই শ্ৰেণীত বিভক্ত?

.....

প্ৰশ্ন নং ১১ ঃ বৈষ্ণৱ সম্প্ৰদায়ৰ এখন পুৰাণৰ নাম লিখক।

.....

প্ৰশ্ন নং ১২ ঃ আটাইতকৈ জনপ্ৰিয় আৰু প্ৰসিদ্ধ পুৰাণখনৰ নাম লিখক।

.....

৫.৬ পুৰাণৰ প্ৰভাৱ

এতিয়া আপুনি পুৰাণ সাহিত্যৰ প্ৰভাৱৰ বিষয়ে জানিব পাৰিব। পুৰাণৰ বৃহৎ সংস্কৃতিৰ প্ৰভাৱ হিন্দুসভ্যতাৰ ওপৰত উৎসৱ পার্বণকে আদি কৰি বিভিন্ন কলা-সাহিত্যৰ

মাজত দেখা যায়। ভাগৱত পুৰাণৰ পৰাই ভাৰত নৃত্যই অনুপ্রেৰণা লাভ কৰিছে। একেদৰে কাব্যত ৰাস-লীলা পুৰাণ সাহিত্যৰ পৰা অনুপ্রাণিত হৈছে। ফাকুৱা, দেৱালী, দুর্গাপূজা আদি উৎসৱৰ উল্লেখ পুৰাণ সাহিত্যত দেখা যায়।

কৌটিল্যৰ *অর্থশাস্ত্রত* (1.5 (P.10) ত ইতিহাসৰ লক্ষণ বর্ণনাৰ সময়ত 'পুৰাণ' আৰু 'ইতিবৃত্ত'ক একেলগে ইতিহাসৰ শাৰীত ধৰা হৈছে।

পুৰাণ সাহিত্যত বর্ণিত বিভিন্ন দেৱতা, ঋষি, ৰজা, নেতাৰ কাহিনীৰ মানৱ সভ্যতাৰ ওপৰত শিক্ষামূলক প্রভাৱ পৰিছে।



জানি থোৱা ভাল

'ইতিবৃত্ত' বুলিলে 'ঐতিহাসিক ঘটনা'ক বুজা যায়। পুৰাণ বুলিলেও সম্ভৱত 'পৌৰাণিক কাহিনী' আৰু 'আখ্যান প্রসিদ্ধ কাহিনী'ক বুজা যায়। আগৰ কালৰ সাহিত্যত যেনে ব্রাহ্মণ উপনিষদ আৰু বৌদ্ধ সাহিত্যত ইতিহাসৰ লগত পুৰাণ শব্দৰ উল্লেখ পোৱা যায়। পুৰণি কালত ইতিহাস আৰু পুৰাণ অথবা 'ইতিহাস পুৰাণ'ৰ উল্লেখ বিভিন্ন ক্ষেত্রত সঘনাই হোৱা দেখা যায়।



৫.৮ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- পুৰাণ শব্দৰ অর্থ আৰু ইয়াৰ উৎসৰ বিষয়ে জানিলো
- পুৰাণৰ ৰচক আৰু ৰচনাকালৰ বিষয়ে জানিলো
- পুৰাণৰ বিষয়বস্তু আৰু বৈশিষ্ট্যৰ বিষয়ে জানিলো
- মহাপুৰাণ আৰু উপপুৰাণৰ নামবোৰ জানিব পাৰিলো আৰু লগতে বিভিন্ন মহাপুৰাণৰ চমু আভাস পালো
- পুৰাণ সাহিত্যৰ প্রভাৱ অন্যান্য ক্ষেত্রত কেনেদৰে পৰিছে, সেইবিষয়ে জানিব পাৰিলো।



৫.৯ অধিক জানিবলৈ

১) শর্মা, থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, গুৱাহাটী ঃ চন্দ্র প্রকাশ।

২) গোস্বামী, হৰমোহন দেৱ, *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*, গুৱাহাটী ঃ বুকলেণ্ড।

৩) Krishna Machariar, M.History of Classical Sanskrit Literature, New Delhi : MLBD

৫.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ পুৰাণ শব্দৰ সাধাৰণ অর্থ হৈছে— 'পুৰাণমাখ্যাণম্' অর্থাৎ 'পুৰণি আখ্যান'।

২নং প্রশ্নৰ উত্তৰ ঃ 'লোমহর্ষণ' ব্যাসদেৱৰ প্রিয় শিষ্য আছিল।

৩নং প্রশ্নৰ উত্তৰ ঃ *মৎস্যপুৰাণ* ।

৪নং প্রশ্নৰ উত্তৰ ঃ চাৰিভাগত।

৫নং প্রশ্নৰ উত্তৰ ঃ পুৰাণ আৰু ইতিহাস সাহিত্যত কিছুমান অজ্ঞাত ৰচকৰ বহু পদ্য পঢ়িবলৈ পোৱা যায়। এনে ধৰণৰ ৰচনাক গাথা বুলি জনা যায়।

৬নং প্রশ্নৰ উত্তৰ ঃ বক্তা অথবা ৰচকে নিজে প্রত্যক্ষ কৰি দিয়া কোনো ঘটনাৰ বর্ণনাক আখ্যান বোলা হয়।

৭নং প্রশ্নৰ উত্তৰ ঃ ১) পুৰাণৰ কাহিনীসমূহ কাল্পনিক।
২) অতিশয়োক্তি কথন দেখা যায়।
৩) বেদৰ টান ভাষা-শৈলীৰ সহজ-সৰলভাৱে বর্ণনা কৰাটো পুৰাণৰ বৈশিষ্ট্য।
৪) পুৰাণ সমাজৰ দাপোনস্বৰূপ।
৫) মানৱ-ধর্মক সুদৃঢ়-কৰাটো পুৰাণৰ বৈশিষ্ট্য।

৮নং প্রশ্নৰ উত্তৰ ঃ বুৰঞ্জীবিদ বুলিলে বুৰঞ্জী বা ইতিহাস বিষয়ত পার্গত ব্যক্তিক বুজা যায়।

৯নং প্রশ্নৰ উত্তৰ ঃ সর্বমুঠ ৩৬ খন।

১০নং প্রশ্নৰ উত্তৰ ঃ তিনিভাগত।

১১নং প্রশ্নৰ উত্তৰ ঃ *বিষ্ণুপুৰাণ* ।

১২নং প্রশ্নৰ উত্তৰ ঃ *ভাগৱতপুৰাণ* ।



৫.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ পুৰাণ সাহিত্যৰ বিষয়বস্তুৰ বিষয়ে লিখক।

প্রশ্ন ২ ঃ পুৰাণৰ ৰচকৰ বিষয়ে এটি টোকা লিখক।

প্রশ্ন ৩ ঃ বৈষ্ণৱ ধর্মী পুৰাণসমূহৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৪ ঃ বিভিন্ন মহাপুৰাণৰ বিষয়ে বহলাই লিখক।

*** ***** ***